# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাট আৰু কাৰ্বি আংলঙত ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই যোৰহাটত ৬২৭ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্প ৰাইজৰ বাবে উৎসৰ্গা কৰে। ড° শৰ্মাই এ টি ৰোডৰ ওপৰেৰে বৰুৱা চাৰিআলিৰ পৰা ভোগদৈ দলঙৰ সমীপলৈ ১৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেঁতু উদ্বোধন কৰে। ইয়াৰ পাছত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি ভাৰ্চুৱেল ব্যৱস্থাৰে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম আৰু ২০০ খন বিছনাযুক্ত ছাত্ৰাৱাস মুকলি কৰে। ইয়াৰ পূৰ্বে তেওঁ কেন্দ্ৰীয় কাৰাগাৰৰ সমীপত নিৰ্মাণ কৰা স্বৰাজ উদ্যান মুকলি কৰে। প্ৰায় ১৭৫ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা এই উদ্যানখনত উত্তৰ-পূৰৰ আটাইকেইখন ৰাজ্যৰ স্বাধীনতা সংগ্ৰামীসকলৰ অতুলনীয় অৱদানক সন্মান জনোৱাৰ লগতে কেইবাটাও গ্ৰেনাইটযুক্ত বিশেষ স্তম্ভ স্থাপন কৰা হৈছে। তদুপৰি তেওঁ লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰো শুভাৰম্ভ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

***বাইট ঃ চি এম***

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলঙত দুহেজাৰ ১০৯ কোটি টকা ব্যয় সাপেক্ষ বহু কেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই পশ্চিম কাৰ্বি আংলঙৰ চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, ডিফু টাউন লেক, কাৰ্বি আংলং ক্ৰীড়া সংস্থাৰ বিলাংভেক জলক্ৰীড়া ক্ষেত্ৰকে ধৰি ৫৪টা প্ৰকল্প উদ্বোধন কৰাৰ লগতে এহেজাৰ ২৯৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৫৩টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২৪ সংখ্যক সমাৱৰ্তন আজি অনুষ্ঠিত হ'ব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য্য লক্ষ্মণপ্ৰসাদ আচাৰ্য্যৰ সভাপতিত্বত হ'বলগীয়া সমাৰ্বতন কাৰ্য্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে বিশিষ্ট শল্য চিকিৎসক সৰ্বেশ্বৰ ভূঞাক ডক্টৰ অৱ ছায়েন্স আৰু অৰুণাচল প্ৰদেশৰ প্ৰখ্যাত সাহিত্যিক, সাংবাদিক সাহিত্য অকাডেমী প্ৰাপক পদ্মশ্ৰী মামাং দাইক ডি লিট সন্মান প্ৰদান কৰা হ'ব।

ইপিনে, যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৬ সংখ্যক সমাৱৰ্তন কালি বিশ্ববিদ্যালয়খনৰ যোৰহাটস্থিত মূল চৌহদৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য্য লক্ষ্মণপ্ৰসাদ আচাৰ্য্যই

সমাৱৰ্তনত অংশগ্ৰহণ কৰে। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, বিশ্ববিদ্যালয় খনৰ উপাচাৰ্য্য ড° বিদ্যুৎ চন্দন ডেকা আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। সমাৱৰ্তনত অৰুণাচল প্ৰদেশৰ বনৌষধি চিকিৎসা বিশেষজ্ঞ য়ানুঙ জেমহ লীগক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কালি শিৱসাগৰ জিলা ভ্ৰমণ কৰি আহোম সাম্ৰাজ্যৰ গৌৰৱোজ্জ্বল ঐতিহাসিক কীৰ্তি চিহ্নসমূহ পৰিদৰ্শন কৰে। তেওঁ প্ৰথমে শিৱসাগৰ চহৰৰ মাজমজিয়াত থকা শিৱদৌল দৰ্শন কৰে আৰু তাত পূজা-অৰ্চনা কৰে। ইয়াৰ পাছত তেওঁ ৰংঘৰ পৰিদৰ্শন কৰি ইয়াৰ ঐতিহাসিক আৰু পুৰাতাত্ত্বিক গুৰুত্ব তথা স্থাপত্য শৈলীৰ নিপুণতা দেখি অভিভূত হৈ পৰে। ৰাজ্যপালগৰাকীয়ে ৰংঘৰৰ পৰিসৰত অব্যাহত থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰু সৌন্দৰ্যবৰ্ধন কাৰ্যৰ বিষয়ে বুজ লয়। শ্ৰীআচাৰ্যৰ এই ভ্ৰমণকালত জিলা আয়ুক্ত মৃদুল যাদৱ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াকে ধৰি পুৰাতত্ব জৰীপ বিভাগৰ কেইবাগৰাকী বিষয়াই সংগ দিয়ে।

০০০০০০

নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত চিৰামপুৰীয়া গাঁৱত কালিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে মিছিং জনগোষ্ঠীৰ পৰম্পৰাগত লোক উৎসৱ পঃৰাগ পৰম্পৰাগত ৰীতি-নীতিৰে অনুষ্ঠিত হৈছে। আমাৰ মাজুলীৰ সংবাদদাতাই জনোৱা মতে, সমন্বয় আৰু সম্প্ৰীতিৰ বাৰ্তাৰে অনুষ্ঠিত হোৱা এই উৎসৱস্থলী গোমৰাগ নৃত্যৰে মুখৰ হৈ পৰে। উৎসৱত বহুসংখ্যক লোকে ভিৰ কৰা পৰিলক্ষিত হয়। কাৰ্যসূচীত কালি পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পাছত অন্তৰংগ আলাপ আৰু দুপৰীয়াৰ ভাগত পঃৰাগ উৎসৱৰ মূল বিষয়ববীয়াসকলক শোভাযাত্ৰা কৰি মুৰংঘৰলৈ আদৰি অনা হয়।

০০০০০০

**সমাপ্ত**